কৰ্ম মোৰ সংস্কৃতি

# অসম জাতীয় বিদ্যালয়
## Assam Jatiya Bidyalay

নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020

☏: 0361-2557921 (Principal)
0361-2654229 (Office)

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com


প্ৰসংগ : অজাবি/০০৯/০৪/২২-২৩
*Ref :*

তাৰিখ : ৩০-০৪-২০২২
*Date :*

**ইংৰাজী ভাষা প্ৰয়োগশালাই জাতীয় বিদ্যালয়ৰ শিক্ষা ব্যৱস্থাক আৰু এখোজ আগুৱাই নিব : ডাঃ ৰণোজ পেগু**

অসম জাতীয় বিদ্যালয়ত ইংৰাজী ভাষা প্ৰয়োগশালা আৰু স্মাৰ্ট শ্ৰেণী কোঠা উদ্বোধন

**নুনমাটি, গুৱাহাটী, ৩০ এপ্ৰিল ঃ** "ছাত্ৰ-ছাত্ৰীৰ বাবে মাতৃভাষা অধিক বোধগম্য আৰু অসমীয়া ভাষাৰ মাধ্যমত শিক্ষাদানৰ ক্ষেত্ৰত কোনো সীমাবদ্ধতা নাই।" অসম জাতীয় বিদ্যালয়ত ইংৰাজী ভাষা প্ৰয়োগশালা (English Language Laboratory) আৰু স্মাৰ্ট শ্ৰেণী কোঠা উদ্বোধন কৰি আজি ৰাজ্যৰ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এইদৰে কয়। নিজৰ ইতিহাস, কৃষ্টি-সংস্কৃতিৰ আভাস ছাত্ৰ-ছাত্ৰীয়ে মাতৃভাষাৰ মাধ্যমত ভালদৰে আয়ত্ত কৰিব পাৰে বুলি তেওঁ মন্তব্য কৰে। বহুভাষিক দেশ ভাৰতত যোগাযোগৰ ভাষা হিচাপে ইংৰাজী ভাষাৰ প্ৰয়োজন আছে বুলি মন্তব্য কৰি তেওঁ প্ৰণালীবদ্ধভাৱে ভাষা শিক্ষাৰ ক্ষেত্ৰত আগবাঢ়িব লাগে বুলি প্ৰকাশ কৰে। বৰ্তমান সময়ত অসমীয়া ভাষাত প্ৰবচন, জতুৱাঠাঁচ আদিৰ ব্যৱহাৰ কমি আহিছে বুলি উল্লেখ কৰি শিক্ষামন্ত্ৰী গৰাকীয়ে শেহতীয়াকৈ অসমত বাতৰিধৰ্মী ভাষাৰ অধিক প্ৰচলন ঘটিছে বুলি কয়। বৰ্তমান সময়ত কেন্দ্ৰীয় চৰকাৰে ডিজিটেল শিক্ষাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে বুলি উল্লেখ কৰি ডাঃ পেগুৱে কয় যে অসম জাতীয় বিদ্যালয়ত ইংৰাজী ভাষাৰ প্ৰয়োগশালা আৰু স্মাৰ্ট শ্ৰেণীকোঠাই নতুন প্ৰযুক্তিৰে শিক্ষাদানৰ ক্ষেত্ৰত বিশেষভাৱে সহায় কৰিব। এই নৱতম সংযোজনৰ ফলত ডিজিটেল পদ্ধতিৰে ভাষা শিক্ষণৰ ক্ষেত্ৰত অসম জাতীয় বিদ্যালয় আৰু এখোজ আগুৱাই যাব বুলিও তেওঁ মন্তব্য কৰে। ৰাজ্যৰ শিক্ষা বিভাগে সকলো মাধ্যমৰ চৰকাৰী আৰু বেচৰকাৰী বিদ্যালয়ত গুণোৎসৱৰ আয়োজনৰ কথা চিন্তা কৰিছে বুলি তেওঁ আজিৰ সভাত জানিবলৈ দিয়ে। ইয়াৰ জৰিয়তে ৰাজ্যৰ চৰকাৰী আৰু বেচৰকাৰী বিদ্যালয়সমূহৰ এটা তুলনামূলক অধ্যয়নেৰে শিক্ষা খণ্ডক আগুৱাই নিব পৰা যাব বুলিও তেওঁ মন্তব্য কৰে। চৰকাৰী আৰু বেচৰকাৰী খণ্ডৰ সমন্বিত প্ৰচেষ্টাতহে দেশৰ উন্নয়ন সম্ভৱ বুলি শিক্ষামন্ত্ৰীগৰাকীয়ে মত প্ৰকাশ কৰে। ৰাজ্যৰ শিক্ষা ক্ষেত্ৰলৈ অসম জাতীয় বিদ্যালয় আন্দোলনৰ অৱদানক শিক্ষামন্ত্ৰীগৰাকীয়ে ভূয়সী প্ৰশংসা কৰি ৰাজ্য চৰকাৰে বিদ্যালয়খনলৈ প্ৰয়োজনীয় সহায়-সহযোগিতা আগবঢ়াব বুলি প্ৰতিশ্ৰুতি দিয়ে। উল্লেখযোগ্য যে মাতৃভাষা মাধ্যমৰ অসম জাতীয় বিদ্যালয়ে প্ৰতিষ্ঠালগ্নৰে পৰা ইংৰাজী ভাষাৰ প্ৰণালীবদ্ধ শিক্ষণৰ ওপৰত গুৰুত্ব আৰোপ কৰি আহিছে। এই প্ৰচেষ্টাৰ অংশ হিচাপে বিদ্যালয়খনত নতুনকৈ সংযোজন কৰা ইংৰাজী ভাষা প্ৰয়োগশালাৰ উদ্বোধনী অনুষ্ঠানত সকলোৰে উদ্দেশ্যে আদৰণী ভাষণ প্ৰদান কৰি বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে আজিৰ দিনটো বিদ্যালয়ৰ শৈক্ষিক ইতিহাসৰ এটি বিশেষ দিন বুলিও উল্লেখ কৰে। অসম জাতীয় বিদ্যালয় কৰ্তৃপক্ষই ছাত্ৰ-ছাত্ৰীসকলৰ সৰ্বাংগীন উন্নয়নৰ ক্ষেত্ৰত সদায়ে সময়োপযোগী পদক্ষেপ গ্ৰহণ কৰি আহিছে বুলিও তেওঁ মন্তব্য কৰে। বিদ্যালয়ৰ ইংৰাজী বিভাগৰ মুৰব্বী শিক্ষক বিনয় বিকাশ গগৈয়ে ইংৰাজী ভাষা প্ৰয়োগশালাটোৰ ব্যৱহাৰ সম্পৰ্কে সকলোকে অৱগত কৰায়। বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সচিব ডাং নাৰায়ণ শৰ্মাই এই উপলক্ষে দিয়া ভাষণত শিক্ষামন্ত্ৰী গৰাকীৰ নেতৃত্বই ৰাজ্যৰ শিক্ষাখণ্ডক অধিক গতিশীল কৰিব বুলি আশা প্ৰকাশ কৰে। অনুষ্ঠানত বিদ্যালয়ৰ ৰেক্টৰ ৰঞ্জিত নাৰায়ণ ডেকাই ইংৰাজী ভাষা প্ৰয়োগশালাটোক বিদ্যালয়ৰ এটা সম্পদ বুলি মন্তব্য কৰে। আজিৰ অনুষ্ঠানৰ আৰম্ভণিতে বিদ্যালয়ৰ একাংশ শিক্ষাৰ্থীয়ে বৰগীত পৰিৱেশন কৰে। বিদ্যালয়ৰ ইংৰাজী বিভাগৰ জ্যেষ্ঠ শিক্ষয়িত্ৰী অপৰাজিতা দত্তই আঁত ধৰা অনুষ্ঠানটোৰ শেষত শলাগৰ শৰাই আগবঢ়ায় বিদ্যালয়ৰ উপাধ্যক্ষা অপৰাজিতা বৰাই।

(ঘনশ্যাম মেধি)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়